**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 19-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বি টি আৰৰ কচুগাঁৱত এখন জনসভাত অংশগ্ৰহণ কৰিছে। এই সভাত তেওঁ বি টি আৰৰ সমাগত পৰিষদীয় নিৰ্বাচনৰ বিজেপিৰ হৈ প্ৰচাৰ চলায়। জনতাক সম্বোধি তেওঁ কয়, যে বি পি এফ নাইবা ইউ পি পি এলৰ লগত আসন বুজাবুজিৰে বিজেপি বি টি আৰত নিৰ্বাচনত অৱতীৰ্ণ হ'লে বিজেপিৰ ভাগত পৰা আটাইকেইখন আসনত ৰাইজে দলটোক জয়যুক্ত কৰিব যদিও ৰাইজৰ কাম কৰিবৰ বাবে এয়া পৰ্যাপ্ত নহয়। সেয়ে বি টি আৰ বাসীৰ সামগ্ৰিক উন্নয়নৰ বাবে এইবাৰৰ নিৰ্বাচনত বিজেপিক জয়যুক্ত কৰি ৰাইজৰ কাম কৰাৰ সুবিধা দিবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। ড০ শৰ্মাই বি পি এফ অথবা ইউ পি পি এল কোনো এটা দলেই বিজেপিৰ শত্ৰু নহয় বুলি উল্লেখ কৰি কয়, যে এইবাৰ কোকৰাঝাৰত বিজেপিৰ চৰকাৰ হ'ব লাগিব। সুদীৰ্ঘ বছৰ ধৰি বিটিআৰত বাসিন্দাসকলে নিজৰ সমস্যা সমাধান কৰিব পৰা নাই বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০

ডিব্ৰুগড়ৰ মাইজান ঠাকুৰবাৰীত মহাবাহু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া অব্যাহত আছে। বিগত এসপ্তাহত ব্ৰহ্মপুত্ৰৰ সোঁতে ৪০ মিটাৰ ভূমিৰ লগতে কেইবাটাও বাসগৃহ উটুৱাই লৈ যায়। জিলাখনৰ জলসম্পদ বিভাগে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও নদীৰ কোবাল সোঁতে জিঅ' বেগ উটুৱাই লৈ গৈছে।

০০০০০০০

শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ নেতৃত্বত আজি ৰংঘৰৰ বাকৰিৰ পৰা জাতিয় জাগৰণ যাত্ৰা আৰম্ভ হয়। ৰাইজৰ দলে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে জাতিয় সমস্যাসমূহ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এই পদক্ষেপ হাতত লৈছে। নতুন জাতীয় চিন্তা, বিদেশী সমস্যাৰ স্থায়ী সমাধান আৰু খিলঞ্জীয়াৰ নেতৃত্বত এটা শক্তিশালী অসমীয়া জাতি গঢ়ি তোলাৰ লক্ষ্যৰে এই যাত্ৰা আৰম্ভ কৰা হৈছে।

০০০০০০০

অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰৰ দাবীত কালি উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা অৰ্থাৎ নেছ'ৰ আহ্বানত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলজুৰি প্ৰতিবাদ সাব্যস্ত কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাই গুৱাহাটীত, নগা ছাত্ৰ ফেডাৰেচনে কোহিমাত, খাচী ছাত্ৰ সন্থাই শ্বিলঙত, মিজো জিৰলাই পলে আইজলত, সদৌ মণিপুৰ ছাত্ৰ সন্থাই ইম্ফলত আৰু ত্ৰিপুৰা ছাত্ৰ ফেডাৰেচনে আগৰতলাত প্ৰতিবাদ সাব্যস্ত কৰে। অৰুণাচল প্ৰদেশ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতিৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে কালি বিষয়টো সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, দেশৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীলৈ দাবী পত্ৰ প্ৰেৰণ কৰে আৰু অন্য এটা দিনত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব। নেছ'ৰ আহ্বান মৰ্মে আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত কালি গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়।

প্ৰতিবাদকাৰী সদস্যসকলে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰা, অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰ, শুদ্ধ এন আৰ চি, অসম চুক্তি ৰূপায়ণকে ধৰি কেইবাটাও দাবী তোলে। নেছ'ৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই এই সন্দৰ্ভত কয়, যে অসমৰ জনসাধাৰণে অবৈধ বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ সমস্যাৰ স্থায়ী সমাধান বিচাৰিছে। অসম চুক্তিৰ ছয় নম্বৰ দফাৰ আধাৰত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ সকলো পৰামৰ্শ কাৰ্যকৰী কৰি খিলঞ্জীয়া সকলক সাংবিধানিক ৰক্ষা কৱচ প্ৰদান কৰাটো সময়ৰ দাবী বুলি তেওঁলোকে উল্লেখ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ এটা স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত চাবুৱা বহুমুখী সমবায় সমিতি লিমিটেড আৰু লুইত বহুমুখী সমবায় সমিতি লিমিটেডৰ সহযোগত ৰাষ্ট্ৰীয় হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি **স্বাৱলম্বী ভাৰত** শীৰ্ষক এটা বিশেষ অনুষ্ঠান কালি অনুষ্ঠিত হয়। চাবুৱা লাহোৱাল পঞ্চায়তৰ অন্তৰ্গত ৰহমৰীয়া গেনিচুকৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানটোত ভালেসংখ্যক স্থানীয় লোক, সমবায় কৰ্মী, হস্ততাঁত শিল্পৰ সৈতে জড়িত ব্যক্তি তথা বিভিন্ন সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। স্থানীয় স্তৰত আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰা, সমবায়ৰ জৰিয়তে আত্ম উদ্যমক আগবঢ়োৱা আৰু হস্ততাঁত শিল্পৰ প্ৰচাৰ-প্ৰসাৰেই এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য। ইয়াৰ জৰিয়তে গাঁও আৰু নগৰাঞ্চলৰ সমবায় সমিতিবোৰৰ কাৰ্যক্ষমতা আৰু ভৱিষ্যতৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০০০

ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগ, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ তথা পঞ্চায়তৰ প্ৰতিনিধিসকলৰ যৌথ প্ৰচেষ্টাত ডায়েৰীয়া নিৰ্মূলৰ বাবে ডিব্ৰুগড় জিলা টেঙাখাত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ পুৰণা দিৰীয়াল চাহ বাগিচাৰ সমীপৰ গজালবস্তি, ঝৌপ্পৰ পট্টি আদিত কালি সজাগতা সভা অনুষ্ঠিত হয়। এই সভাৰ জৰিয়তে জনসাধাৰণক ডায়েৰীয়াৰ পৰা ৰক্ষা পাবলৈ গ্ৰহণ কৰিবলগীয়া বিভিন্ন উপায় সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱা হয়।

ইপিনে চাবুৱাৰ দিনজয় চাহ বাগিচাৰ পকালাইনত ডায়েৰীয়া সদৃশ ৰোগত কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনাৰ পাছত এই অঞ্চলত ডিব্ৰুগড় জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জিলা স্বাস্থ্য বিভাগে সজাগতামূলক বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি লোকসভাত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান অৰ্থাৎ আই আই এম গুৱাহাটীক ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰতিষ্ঠানসমূহৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এই বিধেয়কখন উত্থাপন কৰা হৈছে।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত আই আই এম স্থাপনৰ বাবে যোৱা ১২ আগষ্টত অনুমোদন জনায়। এই প্ৰতিষ্ঠান উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। এই প্ৰতিষ্ঠান নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীক উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**